# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-11-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - -

১। অসম বিধানসভাৰ নতুন চৌহদত প্ৰাচীন অসমৰ কীৰ্তি দৰ্শাই নিৰ্মাণ কৰা আকৰ্ষণীয় স্তম্ভ, কমাণ্ড এণ্ড কণ্ট্ৰোল চেণ্টাৰ, ডিজিটেল কৰিডৰ আৰু কেফেটৰীয়া আনুষ্ঠানিকভাৱে উদ্বোধন ।

২। চৰাইদেউ মৈদামথলীত অনুষ্ঠিত বিশ্ব ঐতিহ্য সপ্তাহৰ কাৰ্যসূচীত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অংশগ্ৰহণ।

৩। ২০২১ চনৰ ১৩ মে’ত মানকাচৰৰ পুৰাণদিয়াৰা গাঁৱত দুজন লোকক হত্যা কৰাৰ অভিযোগত দোষী সাব্যস্ত, ১৪ জন লোক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত।

৪। বিশ্বৰ বিভিন্ন ঠাইৰ লগতে অসমতো আজি বিশ্ব মীন দিৱস উদযাপন। মীন ক্ষেত্ৰত অগ্ৰণী ভূমিকাৰ বাবে অসমৰ দৰং জিলালৈ কেন্দ্ৰীয় চৰকাৰৰ শ্ৰেষ্ঠ জিলাৰ বঁটা। **আৰু**

৫। কাইলৈ অষ্ট্ৰেলিয়াৰ পাৰ্থত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট খেল।

ooooo

অসম বিধানসভাৰ নতুন চৌহদত প্ৰাচীন অসমৰ কীৰ্তি দৰ্শাই নিৰ্মাণ কৰা আকৰ্ষণীয় স্তম্ভ, কমাণ্ড এণ্ড কণ্ট্ৰোল চেণ্টাৰ, ডিজিটেল কৰিডৰ আৰু কেফেটৰীয়া আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰাচীন কছাৰী ৰাজ্যৰ সুন্দৰ কাৰুকাৰ্য খোদিত আৰু সমৃদ্ধ ইতিহাস বহন কৰা শিলৰ এই স্তম্ভৰ লগতে অন্যান্যসমূহ মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই স্তম্ভৰ লগতে অন্যান্য প্ৰযুক্তিগত সামগ্ৰীসমূহৰ উন্মোচনে অসম বিধানসভাৰ দক্ষতা আৰু মৰ্যাদা বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰে।

**-বাইট চি এম-**

উল্লেখযোগ্য যে আজি উদ্বোধন কৰা এই কমাণ্ড কণ্ট্ৰোল নেটৱৰ্কত শেহতীয়া প্ৰযুক্তিৰ অত্যাধুনিক সা-সুবিধাসমূহ সংযুক্ত কৰা হৈছে। ইয়াৰ দ্বাৰা বিধানসভাৰ আন্তঃগাঁথনি শক্তিশালী হ’ব বুলি আশা কৰা হৈছে।

ooooo

চৰাইদেউ মৈদামথলীত পৰহিৰেপৰা বিস্তৃত কাৰ্যসূচীৰে বিশ্ব ঐতিহ্য সপ্তাহ-২০২৪ উদ্‌যাপন কৰা হৈছে। অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ দ্বাৰা স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতিৰ সহযোগত আয়োজিত এই কাৰ্যসূচী উপলক্ষে প্ৰতিদিনে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আজি চৰাইদেউ মৈদামত উপস্থিত হৈ প্ৰত্নতত্ব বিভাগৰ বিষয়াসকলৰ পৰা মৈদামৰ বিভিন্ন দিশ সম্পৰ্কে বুজ লয়। আজি মৈদামক্ষেত্ৰত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদামথলীৰ চৌহদত থকা স্থায়ী চাও-চি ৰেন গৃহত বন্তি প্ৰজ্বলন কৰাৰ লগতে টাই-মলুং পণ্ডিতৰ মন্ত্ৰোচ্চাৰণৰ মাজতে আহোম স্বৰ্গদেউসকলৰ উপৰি পুৰুষক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী সোণোৱালে লগতে চৰাইদেউৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে।

**-বাইট-**

মন্ত্ৰীগৰাকীৰ সৈতে ভ্ৰমণকালত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে, চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ বাবে নথি-পত্ৰ যুগুত কৰা ড° কে চি ন'ৰিয়েললৈ টাই-আহোম যুৱ ছাত্ৰ পৰিষদে লাচিত বৰফুকন বঁটা, ২০২৪ ঘোষণা কৰিছে।

শিৱসাগৰ জিলাতো পৰহিৰেপৰা বিশ্ব ঐতিহ্য সপ্তাহ উদযাপন কৰা হৈছে। এই উপলক্ষে জিলাখনৰ ঐতিহাসিক স্থানসমূহ তথা কীৰ্তিচিহ্ন থকা অঞ্চলসমূহত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি এই সপ্তাহৰ সৈতে সংগতি ৰাখি পুৰাতত্ব বিভাগৰ উদ্যোগত ৰংঘৰ বাকৰিৰ পৰা তলাতল ঘৰলৈকে সমদল উলিওৱা হয়। এই সমদলত বিভাগৰ বিষয়ববীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশ লৈ কীৰ্তিচিহ্ন থকা স্থানসমূহ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰাখিবলৈ সকলোকে আহ্বান জনায়।

০০০০০

অসম চৰকাৰে কৰিমগঞ্জ জিলাক শ্ৰীভূমি জিলা হিচাপে নতুনকৈ নামকৰণ কৰি জাননী জাৰি কৰিছে। অসম মন্ত্ৰীসভাই এই নতুন নামকৰণ সন্দৰ্ভত অলপতে সিদ্ধান্ত লোৱাৰ পাছত ৰাজ্যপালৰ অনুমোদনমৰ্মে আজি ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে এই নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে পৰহি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত কৰিমগঞ্জৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যক ন্যায়সংগত ৰূপত প্ৰকাশ কৰাৰ বাবে জিলাখনক শ্ৰীভূমি হিচাপে নামকৰণ কৰিবলৈ অনুমোদন জনোৱা হৈছিল।

০০০০০

২০২১ চনৰ ১৩ মে'ত মানকাচৰৰ পুৰাণদিয়াৰা গাঁৱত দুজন লোকক হত্যা কৰাৰ অভিযোগত দোষী সাব্যস্ত, ১৪ জন লোকক আজি হাটশিঙিমাৰীৰ জিলা আৰু ছেচন আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। জিলা আৰু ছেচন ন্যায়াধীশ সঞ্জয় হাজৰিকাই তিনি বছৰ ধৰি চলা বিচাৰ প্ৰক্ৰিয়াৰ অন্তত যোৱা মঙলবাৰে এই লোককেইজনক দোষী সাব্যস্ত কৰিছিল আৰু শাস্তিৰ ম্যাদ ঘোষণা আজিলৈকে স্থগিত ৰাখিছিল। গোচৰটোৰ লোক অধিবক্তা বিশ্বজিৎ মহন্তৰ উদ্ধৃতি দি আমাৰ দক্ষিণ শালমাৰাৰ সংবাদদাতাই জনাইছে যে গোচৰটোত মুঠ ১৬ জন লোকক অভিযুক্ত কৰা হৈছিল যদিও গোচৰ চলি থকা কালত দুজন অভিযুক্তৰ মৃত্যু হয়। এগৰাকী মহিলাকে ধৰি দোষী সাব্যস্ত ১৪ জন লোকে আমৃত্যু কাৰাবাস খাটিব লাগিব বুলি ৰায়টোত কোৱা হৈছে।

০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা, চি বি আইয়ে অসম চৰকাৰৰ অনুৰোধমৰ্মে ৰাজ্যখনত শেহতীয়াকৈ সংঘটিত কেইবাটাও বিত্তীয় অনিয়মৰ ঘটনাৰ তদন্তৰ দায়িত্ব গ্ৰহণ কৰিছে। সংস্থাটোৱে কালি এনে এটা গোচৰৰ তদন্তৰ বাবে শিলচৰত তনয় দেৱ নামৰ অভিযুক্তজনৰ বাসগৃহত তালাচী চলাই কেতবোৰ আপত্তিজনক সঁজুলি আৰু নথিপত্ৰ জব্দ কৰে। কেন্দ্ৰীয় সংস্থাটোৱে গুৱাহাটীৰ পল্টনবজাৰ থানাত যোৱা ২১ আগষ্টত ৰুজু হোৱা বিত্তীয় অনিয়মৰ গোচৰ এটাৰো তদন্তৰ দায়িত্ব লৈছে। দীপাংকৰ বৰ্মন নামৰ লোক এজনে তেওঁৰ সহযোগী মনালিছা দাসৰ সৈতে তেওঁলোকৰ অধীনস্থ  সংস্থা এটাৰ দ্বাৰা বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ অভিযোগত এই গোচৰ ৰুজু কৰা হৈছিল। এই সংস্থাটোৱে ৰাজ্যখনৰ লগতে দেশৰ বিভিন্ন ঠাইৰ ভালেসংখ্যক বিনিয়োগকাৰীক প্ৰৱঞ্চনা কৰাৰ অভিযোগ উঠিছিল। চি বি আয়ে যোৱা ১৮ নৱেম্বৰত মনালিছা দাসৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। অনুৰূপ গোচৰত অভিযুক্ত চুমি বৰাই জামিন বিচাৰি কৰা আবেদন বিশেষ আদালতে খাৰিজ কৰিছিল। এই গোচৰকেইটা সন্দৰ্ভত চি বি আইৰ তদন্ত চলি আছে।

০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰ'ৰ অধীনস্থ ডিব্ৰুগড়স্থিত ক্ষেত্ৰ কাৰ্যালয়ৰ উদ্যোগত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্বচ্ছতাই সেৱাৰ লগতে সংহত যোগাযোগ আৰু প্ৰচাৰ সম্পৰ্কীয় দুদিনীয়া কাৰ্যসূচী আৰম্ভ হৈছে।  এই কাৰ্যসূচীত ফিট ইণ্ডিয়া জনজাতীয় গৌৰৱ দিৱস আৰু প্ৰধানমন্ত্ৰীৰ শিক্ষানবিচ আঁচনিসমূহকে ধৰি বিভিন্ন কাৰ্যসূচী সামৰি লোৱা হৈছে। আজি ডিব্ৰুগড়ৰ ডি এইচ এছ্‌ কে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা স্বচ্ছ ভাৰত অসমৰ ব্ৰেণ্ড এম্বেছাদৰ ডঃ শশীকান্ত শইকীয়াই অনুষ্ঠানটো উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আলোকচিত্ৰ প্ৰদৰ্শনীৰ লগতে স্থানীয় আত্মসহায়ক গোটসমূহে গছপুলি, হস্ত শিল্পজাত সামগ্ৰী, স্থানীয় খাদ্য সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰীৰ বিপণী মুকলি কৰিছে। তদুপৰি বিনামূলীয়া স্বাস্থ্য শিবিৰো মুকলি কৰা হৈছে। আজি সন্ধিয়াৰ ভাগত আয়োজিত সাংস্কৃতিক কাৰ্যসূচী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে লোকনৃত্য আৰু লোকগীত পৰিৱেশন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কাইলৈ মল্লযুদ্ধ আৰু দৌৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০

আজি বিশ্ব মীন দিৱস। এইবাৰৰ মীন দিৱসৰ বিষয়বস্তু হ'ল ভাৰতৰ নীল ৰূপান্তৰণ ঃ ক্ষুদ্ৰ তথা বহনক্ষম মীন ক্ষেত্ৰৰ সবলীকৰণ। মীন দিৱস উপলক্ষে আজি দিছপুৰৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন কক্ষ তথা প্ৰশিক্ষণ কেন্দ্ৰত ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ উপস্থিতিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। বিশ্ব মীন দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত আধুনিক প্ৰযুক্তিৰ প্ৰয়োগে মৎস্যপালন খণ্ডত বিপুল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে বুলি উল্লেখ কৰি কয়, যে বায়'ফ্লক, জল সঞ্চালনৰ জৰিয়তে মৎস্যপালন, পোনা উৎপাদন তথা আলংকাৰিক মৎস্যপালন আদি প্ৰযুক্তিনিৰ্ভৰ খণ্ডসমূহে ৰাজ্যৰ মীন উদ্যোগটোক নতুন গতি দিবলৈ সক্ষম হৈছে। সম্প্ৰতি মৎস্য উদ্যোগৰ বিকাশত ষ্টাৰ্টআপৰ ব্যাপক ভূমিকাৰ বিষয়ে অসমৰ যুৱ প্ৰজন্ম সজাগ হোৱা উচিত বুলিও তেওঁ কয়।

বিশ্ব মীন দিৱস উপলক্ষে নতুন দিল্লীত অনুষ্ঠিত বিশেষ কাৰ্যসূচীত অসমৰ দৰং জিলাই মীন ক্ষেত্ৰত হিমালয় পাদদেশ আৰু উত্তৰ পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ জিলাৰ বঁটা লাভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ মীন, পশুপালন আৰু দুগ্ধ উৎপাদন ইত্যাদি বিভাগৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ পৰা দৰং জিলাৰ মীন উন্নয়ন বিষয়া বিপুল খাটনীয়াৰে

আজি এই বঁটা আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। এই অনুষ্ঠানত বিভাগটোৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীদ্বয় জৰ্জ কুৰিয়ান আৰু এছ পি ৰাঘেলো উপস্থিত আছিল।

বিগত বছৰটোত জিলাখনত কেন্দ্ৰীয় পুঁজিৰ ব্যৱহাৰ, কেন্দ্ৰীয় অৰ্থসাহায্যৰ প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত প্ৰযুক্তিগতভাৱে মাছৰ উৎপাদনেৰে জিলাখনক স্বনিৰ্ভৰশীল কৰা, থলুৱা প্ৰজাতিৰ মাছৰ সংৰক্ষণ আৰু ইয়াৰ পোনাৰ বাণিজ্যিক উৎপাদনৰ লক্ষ্যৰে আন্তঃৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠানৰ কাৰিকৰীৰ সহযোগত কৃত্ৰিম প্ৰজননেৰে মাছৰ পোনা উৎপাদন আদিৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে জিলাখনে এই বঁটা লাভ কৰিবলৈ সক্ষম হয়।

**-বাইট-**

০০০০০

কাজিৰঙাত অহা ২৭ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কেইবাখনো আলোচনাসত্ৰ আৰু বৈঠক অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু হস্ততাঁত দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। উল্লেখযোগ্য যে অতিথিসকলে ২৬ নৱেম্বৰত ডিব্ৰুগড় বিমানবন্দৰত অৱতৰণ কৰাৰ পাছত তেওঁলোকক বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰিবলৈ লৈ যোৱা হ'ব। কাজিৰঙালৈ ৰাওনা হোৱাৰ পূৰ্বে তেওঁলোকে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰো দৰ্শন কৰিব।

পৰ্যটন মন্ত্ৰালয়ৰ সচিব ভি বিদ্যাৱতীয়ে ২৭ নৱেম্বৰৰ পুৱা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰিব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কাজিৰঙাৰ কঁহৰাৰ সভাগৃহত উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ চৰকাৰৰ তৰফৰ পৰা প্ৰত্যেকখন ৰাজ্যৰ পৰ্যটন ব্যৱস্থাক উপস্থাপন কৰাৰো দিহা কৰা হৈছে। দ্বিতীয় দিনা মেলাত অংশগ্ৰহণ কৰিবলৈ আহিবলগীয়া সন্মানীয় অতিথি তথা প্ৰতিনিধিসকলে কাজিৰঙা বনাঞ্চলত জীপ ছাফাৰী কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান আৰু হাতীখুলি চাহ বাগিচা ভ্ৰমণ কৰিব। বিয়লি ৰাজ্য চৰকাৰৰ উদ্যোগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ২৩ নৱেম্বৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ অংশকালীন ঘোষকৰ লিখিত পৰীক্ষা অহা দেওবাৰে কটন বিশ্ববিদ্যালয়ৰ নতুন কলা ভৱনত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ প্ৰৱেশপত্ৰ প্ৰাৰ্থীসকললৈ ইতিমধ্যে ই-মেইলযোগে প্ৰেৰণ কৰা হৈছে। প্ৰৱেশ পত্ৰ নোপোৱা প্ৰাৰ্থীসকলে কাইলৈৰ ভিতৰত কেন্দ্ৰলৈ আহি ব্যক্তিগতভাৱে প্ৰৱেশপত্ৰ সংগ্ৰহ কৰিব পাৰিব বুলি আকাশবাণীৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ কাইলৈ পাৰ্থত আৰম্ভ হ'ব। ভাৰতীয় দলৰ নিয়মীয়া অধিনায়ক ৰোহিত শৰ্মাই ব্যক্তিগত অসুবিধাৰ বাবে প্ৰথম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰাৰ বাবে যশপ্ৰীত বুমৰাই দলটোৰ দায়িত্ব ল'ব। ভাৰতীয় দলৰ আন এগৰাকী আগশাৰীৰ বেটচমেন শুভমন গীলেও আঘাতৰ বাবে প্ৰথম টেষ্টত ভাগ ল'ব নোৱাৰে। টেষ্ট মেচৰ পূৰ্বে আজি ভাৰত আৰু অষ্ট্ৰেলিয়া দুয়োটা দলেই অনুশীলনত অংশ লয়। ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা ৭ বাজি ৫০ মিনিটৰ পৰা এই খেল আৰম্ভ হ'ব।

০০০০০

সমাপ্ত